**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------

১। অসম বিধানসভাত কাইলৈ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন।

২। ৰাজ্যত কালি লোক আদালতৰ জৰিয়তে ২৯ হাজাৰৰো অধিক গোচৰ নিষ্পত্তি।

৩। মহিলাসকল কোনোগুণে কম নহয় আৰু তেওঁলোক বিভিন্ন ক্ষেত্ৰত পুৰুষৰ সমানে কান্ধত কান্ধ মিলাই আগবাঢ়ি গৈছে বুলি দৃষ্টিপাতত প্ৰকাশ।

৪। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত উত্তৰ পূৰ্ব সীমান্ত ৰেলৱে ক্ৰীড়া সন্থা আৰু গ্লোবেল ফুটবল ক্লাব। **আৰু**

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

বিত্ত মন্ত্ৰী অজন্তা নেওগে কাইলৈ দিনৰ চাৰে ১১ বজাত বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। এইখনে হ'ব ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিত্তমন্ত্ৰী অজন্তা নেওগে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে চৰকাৰে এখন ভাল বাজেট দিবৰ কাৰণে চেষ্টা কৰিছে। বাজেটত সামগ্ৰিকভাৱে ৰাজ্যৰ বিভিন্ন সমস্যাই স্থান পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰৰ বাজেটত অসমক কিদৰে এখন ভাল ৰাজ্য হিচাপে গঢ়ি তোলাৰ বিভিন্ন প্ৰয়াস প্ৰতিফলিত হ'ব। এইবাৰৰ বাজেটত মহিলা, যুৱক আৰু দৰিদ্ৰক অধিক প্ৰাধান্য দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আয়োজিত লোক আদালতৰ জৰিয়তে কালি ২৯ হাজাৰৰো অধিক গোচৰ নিষ্পত্তি কৰা হয়। দেশৰ বাকী অংশল লগতে অসমতো আয়োজন কৰা এই লোক আদালতত প্ৰাৰম্ভিক পৰ্যায়ত মোকৰ্দমা আৰু বিচাৰাধীন দুই লাখৰো অধিক গোচৰ লোৱা হয়। ইয়াৰে ভিতৰত ২৯ হাজাৰ ২১ টা গোচৰ সমিলমিলেৰে নিষ্পত্তি কৰা হয় আৰু জৰিমনা আদিৰ বাবদ ১২৭ কোটি ৮৪ লাখৰো অধিক ধন সংগ্ৰহ হয়।

হাটশিঙিমাৰী জিলা আইন সেৱা প্ৰাধিকৰণে আয়োজন কৰা লোক আদালতৰ দ্বাৰা কালি জিলাখনৰ বিচাৰাধীন এহেজাৰ ২৮৮টা গোচৰৰ ভিতৰত ৬৭১টা গোচৰ নিষ্পত্তি কৰা হয়। ইয়াৰে ভিতৰত অসম শক্তি বিতৰণ লিমিটেডৰ সৈতে জড়িত ৫৫২ গোচৰ আছে। জিলাখনত এইবেলি লোক আদালতৰ জৰিয়তে এক কোটি

৪লাখ ২২ হাজাৰ ৯৯২ টকা সংগ্ৰহ কৰা হৈছে বুলি এখন সংবাদ মেলত জিলা আইন সেৱা প্ৰাধিকাৰীৰ উচ্চবৰ্গৰ সহায়কে জানিবলৈ দিয়ে।

পশ্চিম কাৰ্বি আংলঙৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয় কালি অনুষ্ঠিত পঞ্চমটো লোক আদালতৰ মাধ্যমেৰে ৫৫০ টা গোচৰৰ ৪৪ শতাংশ গোচৰ নিস্পত্তি কৰা হয়। এই লোক আদালতত যান-বাহন, বৈবাহিক বিবাদ, বেংক ঋণ সম্বন্ধীয় গোচৰসমূহ নিস্পত্তি হোৱা বুলি জানিবলৈ পোৱা গৈছে।

একেদৰে বৰপেটা জিলাত অনুষ্ঠিত লোক আদালতত বিভিন্ন বিষয়ৰ ৮৭২ টা গোচৰ নিস্পত্তি কৰা হয়। নিস্পত্তিৰ বাবে গ্ৰহণ কৰা মুঠ গোচৰৰ সংখ্যা আছিল ৮হাজাৰ ২০১টা। নিস্পত্তি হোৱা গোচৰবোৰৰ জৰিয়তে জৰিমনাসহ ২ কোটি ৫০ লাখ ৬১ হাজাৰ ৭৬৩টকা আদায় কৰা হয়।

ধুবুৰীতো কালি জিলা ন্যায়িক আদালত প্ৰাঙ্গনত লোক আদালতৰ আয়োজন কৰা হয়। এই আদালতত বেংক ঋণ আৰু বিদ্যুৎ মাচুল আদায়সহ মুঠ এহেজাৰ ৪০২ টা গোচৰ নিস্পত্তি কৰা হয়। ইয়াৰ উপৰি জিলাখনত ৭১১ টা মটৰ দুৰ্ঘটনা, দেৱানি, ফৌজদাৰী গোচৰ নিস্পত্তি কৰা হয়।

০০০০০০

মহিলাসকল কোনোগুণে কম নহয় আৰু তেওঁলোক বিভিন্ন ক্ষেত্ৰত পুৰুষৰ সমানে কান্ধত কান্ধ মিলাই আগবাঢ়ি গৈছে। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে কালি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা অৰুনিমা গোস্বামী, চন্দ্ৰিমা শৰ্মা আৰু বিজয়লক্ষ্মী গোস্বামীয়ে এইদৰে মত প্ৰকাশ কৰে। অনুষ্ঠানত দূৰদৰ্শনৰ সহকাৰী অভিযন্তা বিজয়লক্ষ্মী গোস্বামীয়ে প্ৰত্যাহ্বানৰ মাজতো তেওঁ কিদৰে কৰ্তব্য সম্পাদন কৰিবলগীয়া হৈছিল সেই বিষয়ে এইদৰে কয়......

**ভইচ**

কালিৰ অনুষ্ঠানৰটোৰ প্ৰযোজনা, পৰিকল্পনা আৰু সাক্ষাৎ গ্ৰহণ কৰিলে আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ১৪ মাৰ্চত তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। শ্ৰী শ্বাহে ১৫ মাৰ্চত ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। গৃহমন্ত্ৰীগৰাকীয়ে মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব আৰু সন্ধিয়া গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালসকলৰ সৈতে বিশেষ বৈঠকত মিলিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰৰ কাৰ্যসূচী সামৰি ১৬ মাৰ্চৰ বিয়লি তেওঁ নতুন দিল্লীলৈ বুলি উভতি যাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ আসন্ন ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি জনতাভৱনত এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে অমিত শ্বাহৰ ভ্ৰমণ আৰু তেওঁ উপস্থিত থাকিবলগীয়া কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা দিয়ে। ড০ শৰ্মাই লগতে এই আয়োজনৰ সৈতে জৰিত প্ৰতিটো চৰকাৰী বিভাগৰ মাজত সমন্বয় আৰু পৰিকল্পনাৰ বিষয়ে পুংখানুপুংখভাৱে বুজ লয়। বৈঠকত পীযুষ হাজৰিকা, অজন্তা নেওগকে আদি কৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

০০০০০০

মণিপুৰৰ কাংপোক্‌পি জিলাৰ বিভিন্ন অংশত কালি কুকি প্ৰদৰ্শনকাৰী আৰু সুৰক্ষা বাহিনীৰ মাজত হোৱা সংঘৰ্ষত এজন প্ৰতিবাদকাৰীয়ে প্ৰাণ হেৰুৱায় আৰু অন্য ২৫ জন আহত হয়। নিহত লোকজনক লালগৌথাং সিংগছিত বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত বাতৰি মতে কেইথেলমান্বিত হোৱা সংঘৰ্ষত এই ৩০ বছৰীয়া লোকজন গুলীবিদ্ধ হয় আৰু চিকিৎসালয়লৈ লৈ যোৱা অৱস্থাত মৃত্যু ঘটে। ইপিনে গামগিফাই, ম'তবুং আৰু কেইথেলমান্বিত হোৱা সংঘৰ্ষত কমেও ২৫ জন প্ৰতিবাদকাৰী আহত হয়। আহত লোকসকলক চিকিৎসাৰ বাবে হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ৰাজ্যখনত জনসাধাৰণৰ মুক্ত আহ-যাহৰ অনুমতি প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশৰ বিৰোধিতা কৰা প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ পাছতে কুকী জনবসতিপ্ৰধান জিলাখনত প্ৰতিবাদকাৰী আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। প্ৰতিবাদকাৰীসকলে ব্যক্তিগত বাহনত অগ্নি সংযোগ আৰু ইম্ফলৰ পৰা সেনাপতি জিলা অভিমুখী ৰাজ্যিক পৰিবহন নিগমৰ এখন বাছ আবদ্ধ কৰাৰ চেষ্টা চলোৱাৰ পাছত পৰিস্থিতিৰ অধিক অৱনতি ঘটে। প্ৰতিবাদকাৰীসকলে লগতে ইম্ফল-ডিমাপুৰ সংযোগী দুই নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে আৰু চৰকাৰী বাহনৰ আহ-যাহ বিঘ্নিত কৰাৰ বাবে টায়াৰ জ্বলায়।০০০০০

০০০০০০

শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ অধ্যক্ষতাত কালি ডুমডুমাত চাহ বাগিচাৰ মজুৰি ক্ষতিপূৰণ আঁচনি আৰু টীকাকৰণ সম্পৰ্কীয় এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত তিনিচুকীয়া জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্য, তিনিচুকীয়াৰ সহকাৰী আয়ুক্ত মঞ্জীত দলে আদি উপস্থিত থাকে। মন্ত্ৰী গোৱালাই আশাকৰ্মী আৰু আশা তত্বাৱধায়ক ৰূপে কৰ্মৰত স্বাস্থ্যকৰ্মীসকলক আঁচনিখনৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ আহ্বান জনোৱাৰ লগতে চাহ বাগিচা অঞ্চলৰ প্ৰতিগৰাকী গৰ্ভৱতী মহিলাক ৪টা কিস্তিত ১৫ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱাটো নিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে কালি কোকৰাঝাৰৰ চহৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত ৫৯০ গৰাকী প্ৰাক্তন উগ্ৰপন্থী সদস্যলৈ ৪ লাখ টকাকৈ ম্যাদি জমাৰ প্ৰমাণ পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এন ডি এফ বিৰ প্ৰাক্তন সদস্যসকলক সাহায্যৰ প্ৰমাণপত্ৰ প্ৰদানৰ শুভাৰম্ভ কৰে। বিটিআৰ শান্তিচুক্তি মৰ্মে সশস্ত্ৰ সংগ্ৰামৰ পৰা মূল সুঁতিলৈ ঘূৰি অহা এন ডি এফ বিৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপন প্ৰক্ৰিয়াৰ অংশস্বৰূপে ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত এই পদক্ষেপ গ্ৰহণ কৰা হয়। এই অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেণ নাথ, বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান আৰু গৃহ বিভাগৰ সচিবো উপস্থিত থাকে।

০০০০০০

কলিয়াবৰৰ ৰহঢলাত কালি পুৱা বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। নিহত লোকজন প্ৰবীন বসুমতাৰী বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে কলিয়াবৰৰ হাতীগাঁও, গোমোঠাগাঁও, কুঁৱৰীতল আদি

অঞ্চলত এটা বনৰীয়া হাতীয়ে দীৰ্ঘদিন ধৰি ত্ৰাসৰ সৃষ্টি কৰি আহিছে। এটা পযেকৰ ভিতৰতে বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুওৱাৰ এইটো তৃতীয়টো ঘটনা।

০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত কাকতসমূহে বিভিন্ন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে অসমৰ পৰা মেঘালয়লৈ সম্প্ৰসাৰিত হৈ থকা কয়লা চিন্দিকেট ৰুধিবলৈ কেন্দ্ৰীয় সংস্থা তৎপৰ হৈ পৰা সন্দৰ্ভত এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমবাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ ৰাজ্যিক সভাপতিয়ে কালি উপস্থিত হৈ আলোচনা কৰাৰ সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় কেইখন কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে। National crime records bureau ৰ তথ্য অনুসৰি দেশৰ ভিতৰতে অসম ন্যায় বঞ্চিত নাৰীৰ শীৰ্ষত আছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গুজৰাটত নাৰী দিৱস উপলক্ষ্যে লাখপতি দিদি হিতাধিকাৰীৰ সৈতে বাৰ্তালাপ কৰাৰ বাতৰিটো কাকত সমূহে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ প্ৰকাশ কৰিছে। কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ পত্নী এলিজাবেথৰ পাকিস্তান লিংক বিচৰাৰ বাব গঠিত অসম আৰক্ষীৰ এছআইটিয়ে কালি দিল্লীত ব্ৰিটিচ উচ্চায়ুক্তৰ অসমীয়া কৰ্মীসহ দুজনক জেৰা কৰে। এই বাতৰিটো দৈনিক জনমভূমি,আমাৰ অসম, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে। বৰপেটা জিলা কংগ্ৰেছ কাৰ্যালয়ত কালি কংগ্ৰেছ দলৰ সদস্য সকলৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে আলফা স্বাধীন গোটে বাংলাদেশত পুনৰ প্ৰশিক্ষণ শিবিৰ স্থাপন কৰিছে বুলি দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চাহ শ্ৰমিকসকলৰ কল্যাণৰ বাবে থকাৰ কেইবাখনো আইন উলংঘা কৰাৰ বাবে অসম চৰকাৰে ২৪৯ খন চাহ বাগিছাৰ বিৰূদ্ধে গোচৰ ৰুজু কৰিছে। এই বাতৰিটো the sentinel কাকতে প্ৰকাশ কৰিছে। ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত কাৰ্যালয়ত প্ৰতিজন কৰ্মচাৰীয়ে ব্যয় কৰা গড় সময় অসম আৰু উত্তৰ পূৱত আটাইতকৈ কম বুলি The Assam Tribune কাকতে এক প্ৰতিবেদনৰ উদ্ধৃতিৰে প্ৰথম পৃষ্ঠাত এটা বাতৰি স্থান দিছে ।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৰে ক্ৰীড়া সন্থা আৰু গ্লোবেল ফুটবল ক্লাৱে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। উত্তৰ পূৰ সীমান্ত ৰেলৰে ক্ৰীড়া সন্থাই কালি গুৱাহাটী জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ২-০ গলত পৰাস্ত কৰে। একেটা স্থানত অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত গ্লোবেল ফুটবল ক্লাৱে -ডুবি ক্ৰীড়া সন্থাক ৩-১ গলত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাত আজি বাকী দুখন কোৱাৰ্টাৰ ফাইনেল খেলোৱা হ'ব। ইয়াৰে প্ৰথমখনত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ - ৰাণী কোচিং চেণ্টাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দ্বিতীয়খন খেলত শ্বিলং লাজং ফুটবল ক্লাৱ - লেনৰ'ল ফুটবল ক্লাৱৰ সন্মুখীন হ'ব।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত আজি ডুবাইত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ বাবে সমগ্ৰ দেশ ক্ৰিকেট জ্বৰত আক্ৰান্ত হৈছে। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। দেশ দুখনৰ মাজত অনুষ্ঠিত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেসমূহে ফাইনেল খেলখন অধিক ৰোমাঞ্চকৰ কৰি তুলিছে। ভাৰতে যোৱা মঙলবাৰে অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ খেলত নিউজিলেণ্ডক ৪৪ ৰানত পৰাভূত কৰি শক্তিশালী অভিলেখেৰে ফাইনেলত প্ৰৱেশ কৰিছে। বেটে-বলে আগবঢ়োৱা সুন্দৰ প্ৰদৰ্শনৰ বলত লাভ কৰা এই জয়ে প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ পইণ্ট তালিকাত ভাৰতৰ শীৰ্ষ স্থান সুদৃঢ় কৰি তুলিছিল। খেলৰ পূৰ্বে এখন সংবাদমেলত ভাৰতীয় দলৰ উপ-অধিনায়ক সুভম গীলে কালি কয়, যে ২০২৪ চনৰ টি-২০ বিশ্বকাপৰ জয়ে দলৰ চাপ কিছু পৰিমাণে দূৰ কৰিছে। ভাৰতে শেহতীয়া খেলসমূহত আধিপত্য বিস্তাৰ কৰিছে যদিও নিউজিলেণ্ডৰ চাপৰ মাজত সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱাৰ সামৰ্থ গুৰুত্বপূৰ্ণ কাৰকৰূপে বিবেচিত হৈছে। ২০১৯ চনৰ বিজয়ে দলটোৰ বাধা অতিক্ৰম কৰাৰ সামৰ্থৰ কথা প্ৰতিফলিত কৰে। অসাধাৰণ ফিল্ডিং নিউজিলেণ্ডৰ শক্তিৰূপে বিবেচিত হৈ আহিছে। নিউজিলেণ্ডৰ অধিনায়ক মিছেল ছেন্তনাৰে খেলৰ পূৰ্বে এখন সংবাদমেলত দলে ফাইনেল খেলখনত ভাৰতৰ বিৰুদ্ধে সুন্দৰ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। অধিনায়কগৰাকীয়ে ফৰ্মত থকা ভাৰতীয় দলৰ প্ৰত্যাহ্বানৰ কথা স্বীকাৰ কৰে।

০০০০০০

গুৱাহাটীৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান- **সূৰ্যৰ** সভাপতি তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য বন সংৰক্ষক হেমকান্ত তালুকদাৰৰ যোৱা নিশা হৃদৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ৰ তেওঁৰ বয়স আছিল ৬৩ বছৰ। গুৱাহাটীৰ ৰাধাগোবিন্দা বৰুৱা পথ অঞ্চলৰ প্ৰগতি পথৰ বাসিন্দা হেমকান্ত তালুকদাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ ঠাই বিশেষ পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব।

oooooo

সমাপ্ত